بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ০৯ মে মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাব্বিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজি মই কেইজন মান মৰহুমিনৰ সম্পৰ্কে আলোচনা কৰিব বিচাৰিছোঁ। এওঁলোক প্ৰত্যেকেই ভিন্ন ভিন্ন বৃত্তিধাৰী লোক আছিল। বিভিন্ন ধৰণৰ ব্যাস্ততা এওঁলোকৰ আছিল। শিক্ষা-দীক্ষাও বিভিন্ন ধৰণৰ আছিল। কিন্তু এটা বিষয় সকলোৰে একে আছিল, সেয়া হল দ্বীনক দুনীয়া-দাৰীৰ ওপৰত প্ৰাধান্য দিয়াৰ শপতেৰে লোৱা বয়াত, নিজৰ শক্তি অনুযায়ী পালন কৰোঁতা আছিল। হজৰত মছিহ মাওউদৰ (আঃ)ৰ বয়াতৰ হক পুৰ্ণতাৰে প্ৰদান কৰোঁতা আছিল। খিলাফতে আহমদীয়াৰ সৈতে পুৰ্ণ বিশ্বাস, আনুগত্য, একনিষ্ঠ, আৰু পবিত্ৰ সম্পৰ্ক অটুট ৰাখোঁতা আছিল। স্ৰষ্টাৰ সৃষ্টিৰ অধিকাৰ প্ৰদানত অগ্ৰণী ভুমিকা আছিল আৰু এই কথাখিনিৰ সাক্ষ্য বহন কৰোঁতা আছিল যে ইছলামৰ যি সুন্দৰ শিক্ষাৰ ওপৰত আমল কৰোৱাবলৈ আল্লাহ তায়ালা আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসক পঠিয়াইছে, তাৰ কাৰ্যকৰী প্ৰতীক চিহ্ন প্ৰকৃত ভাৱে এওঁলোকৰ গুণাৱলীৰ মাজত জল-জল পট-পট হৈ আছিল। তেওঁলোকৰ ঘটনাবোৰ শুনিলে এয়া বিশ্বাস উপজে যে বৰ্তমান যুগতও হজৰত মছিহ মাওউদ (আঃ)ৰ সৈতে মিলিলেহে ভৃত্য আৰু খোদাৰ মাজত প্ৰকৃত সম্পৰ্ক গঢ়াৰ উপায় আমি লাভ কৰিব পাৰিম আৰু খোদা তায়ালাৰ অমৰত্ত্বৰ ওপৰত পুৰ্ণ বিশ্বাস আৰু তাৰ সন্তুষ্টিত তৃপ্তি লাভৰ উচ্চ স্থান লাভ কৰিব পাৰিম।

এই সকল মৰহুমিনৰ মাজত এজন হল মোবাল্লিগ ছিলছিলা জুলফিকাৰ আহমদ ঢামাংক চাহাব। এখেতে ২০২০ চনৰ ২১ এপ্ৰিলত ৪২ বছৰ বয়সত মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এখেতে মৰহুম ইণ্ডোনেচিয়াৰ ৰেজিয়নেল মোবাল্লিগৰ দায়িত্ব পালন কৰি আছিল। মৰহুমৰ বংশত তেখেতৰ ককাঁদেউতাৰ জৰিয়তে আহমদীয়াতৰ প্ৰৱেশ ঘটিছিল। মৰহুমে ১৯৯৭ চনৰ পৰা ২০০২ চনলৈ জামিয়া আহমদীয়া ইণ্ডনেচিয়াত শিক্ষা অৰ্জন কৰিছিল। মৰহুমে ১৮ বছৰ কাল বিভিন্ন ঠাইত মোবাল্লিগ ছিলছিলা হিচাপে সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছিল। তেওঁ পত্নীৰ লগতে চাৰি সন্তানক এৰি থৈ গৈছে। চাৰিওজন সন্তানেই ওয়াকফে নও তেহেৰিকৰ অন্তৰ্ভুক্ত।

আমাৰে এজন মোবাল্লিগ মিৰাজ উদ্দিন চাহাবে বৰ্ণনা কৰিছে যে জুলফিকাৰ চাহাব বৰ দক্ষ আৰু পৰিশ্ৰমি মোবাল্লিগ আছিল। যতেই তেখেতৰ পোষ্টিং বদলি হৈ গৈছিল, তাতেই লোকৰ সৈতে তৰবিয়তি সম্পৰ্ক গঢ়ি তুলিছিল আৰু তবলিকৰ কাম সুন্দৰভাৱে চলাই লৈ গৈছিল। কেতিয়াও কোনো বস্তুৰ চাহিদা দেখুৱা নাছিল। বৰং সদায় দোৱা কৰাৰ শিক্ষা প্ৰদান কৰিছিল। এয়াই হল সেই বৈশিষ্ট যি এজন ওয়াকফে জিন্দেগীৰ আত্মা আৰু এয়া থকা উচিত। যদি কিবা প্ৰয়োজনীয়তা আছে তেন্তে সেয়া খোদা তায়ালাৰ পৰা বিচাৰিব লাগে, কেতিয়াও চাহিদা দেখুওৱাব নালাগে আৰু এয়াই হল অতি প্ৰয়োজনীয় গুনাৱলী যি সকলো ওয়াকফে জিন্দেগী সকলে নিজকে জন্ম দিয়াৰ চেষ্টা কৰা উচিত।

আচিফ মঈন চাহাব মুৰব্বী ছিলছিলায় লিখিছে যে এখেত মৰহুম বৰ সৰল প্ৰকৃতিৰ লোক আছিল, মুখলিচ আনুগত্যশীল আছিল। এওঁ বেমাৰী অৱস্থাতও জমাতৰ কাম বা সেৱা আগবঢ়োৱাক প্ৰাধান্য দিছিল। মৰহুম কিডনি বেমাৰত আক্ৰান্ত আছিল। এনে অৱস্থাত এদিন এখন স্থানীয় বৈঠকত যোগদান কৰিছিল। তাৰে এজন খাদিমে যেতিয়া এখেতক সুধিছিল যে আপুনি কিয় ইমান কষ্ট কৰি ইয়ালৈ আহিছে, তেতিয়া জুলফিকাৰ চাহাব ডাইলেচিচত আছিল। সেয়ে তেখেতে কৈছিল যে যেতিয়ালৈকে মোৰ ভিতৰত প্ৰাণ আছে, মই জমাতৰ সকলো প্ৰোগ্ৰামত যোগদান কৰাৰ চেষ্টা কৰিম। যদিও মই বেমাৰী তথাপিও মোৰ ইচ্ছা হয় যে মই সদায় জমাতি কাম, দ্বীনৰ খিদমতৰ কামত ব্যাস্ত থাকো। এয়াই হল সেই ওয়াকফে জিন্দেগীৰ আন্তৰিক ইচ্ছা, যি প্ৰত্যেকজন ওয়াকফে জিন্দেগী সকলৰ মাজত জাগ্ৰত থকা উচিত, এয়া বাঞ্চনীয় নহয় যে সামান্য অসুবিধা হলেই সেয়া এটা ডাঙৰ সমস্যা হিচাপে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - মৰহুম এজন দৃঢ় সংকল্প ৰাখোঁতা আৰু আনুগত্যৰ সৈতে নিজৰ ওয়াকফেৰ দায়িত্ব পালন কৰোঁতা লোক আছিল। আল্লাহ তায়ালা তেওঁৰ মৰ্যাদা উন্নীত কৰক। তেওঁ নিজৰ বয়াতৰ শপত আখৰে আখৰে পালন কৰিছে, আৰু ওয়াকফে জিন্দেগীৰ কৰ্তব্যও সুচাৰু ৰূপে পালন কৰি গৈছে। আল্লাহ তায়ালা মৰহুমৰ সতি সন্তান, পত্নী আদি সকলোকে নিজৰ নিৰাপত্তাৰ আৱেষ্টনীত ৰাখক আৰু তেওঁলোকৰ সহায় কৰক।

দ্বিতীয় মৰহুম হল - ডক্টৰ পীৰ মহম্মদ নকি উদ্দিন চাহাব, (ইচলামাবাদ, পাকিস্তান)। ২০২০ চনৰ ১৮ এপ্ৰিলত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। মৃত্যুৰ প্ৰায় সপ্তাহ দহ দিন মান আগত এখেত কৰণা ভাইৰাচত আক্ৰান্ত হোৱাৰ লক্ষণ দেখা দিছিল আৰু ১৮ এপ্ৰিলৰ আবেলি সময়ত আল্লাহ তায়ালাৰ কাষত গৈ উপস্থিত হৈছে। মৰহুমে ইহ জগতত পত্নী আৰু এজন পুত্ৰ আৰু চাৰিজনী জীয়েকক এৰি থৈ গৈছে। মৰহুমৰ বংশধৰ সকল সকলো হজৰত মছিহ মাওউদ (আঃ)ৰ এজন চাহাবাৰ সন্তান। ভাৰত বিভাজনৰ সময়ত এখেতৰ বয়স হৈছিল এবছৰ। ১৯৭০ চনত

এখেতে এম.বি.বি.এছ পাছ কৰিছিল। ইয়াৰ পিছত ইছলামাবাদত নিজাকৈ ক্লিনিক খুলি লৈছিল। প্ৰায় পঁচিশ, ত্ৰিছ, বছৰ কাল এই ক্লিনিক চলাইছিল। আল্লাহ তায়ালাৰ কৃপাত মৰহুমে উক্ত কামত বৰ উন্নতি লাভ কৰিছিল, আৰু দৰিদ্ৰ সকলক বৰ সহায় কৰিছিল।

ইছলামাবাদৰ আমিৰ চাহাবে লিখিছে যে ডাঃ পিৰ মহম্মদ নকি উদ্দিন চাহাব যোৱা বছৰতকৈ অধিক সময় ধৰি জমাত আহমদীয়া ইছলামাবাদত কাজিৰ পদত খিদমত প্ৰদান কৰিছিল। তেখেতৰ সিদ্ধান্ত বা ৰায় সদায় ছুন্নত বা কোৰ-আন সন্মত আছিল, যি ৰায় দুয়ো পক্ষৰ বাবে প্ৰশান্তিমুলক বা মনপুত হৈছিল। মৰহুম হাহিঁমুখৰ, মৰমীয়াল, দৰিদ্ৰক সহায় কৰোঁতা, বদান্য বৎসল লোক আছিল। প্ৰত্যেকৰে সৈতে হাহিঁমুখেৰে কথা বতৰা পাতিছিল। খোদাৰ সৃষ্টি জীৱৰ সেৱাত ব্ৰতী আছিল। জমাতৰ দৰিদ্ৰ আৰু অসহায় ৰোগী সকলৰ নিমিত্তে সদায় তেখেতৰ ক্লিনিক খোলা থাকিছিল।

মৰহুম পত্নীয়ে কয় যে মোৰ স্বামী বৰ মুখলিচ আৰু একান্ত আগ্ৰহী আহমদী আছিল। এজন সম্পৰ্ণ আনুগত্যশীল ব্যাক্তি আছিল, আদৰ্শবান পতি আছিল, প্ৰিয় বৎসল পিতৃ আছিল। ভাই-ভনী, বন্ধু-বান্ধৱৰ প্ৰতি দৃষ্টি ৰাখোঁতা পৰোপকাৰী ব্যাক্তি আছিল। খোদা তায়ালাৰ সৈতে গভীৰ সম্পৰ্ক ৰাখিছিল আৰু বৰ দোৱা কৰোঁতা আছিল। মৰহুমৰ জীয়েক ৰৰদা কৈছে যে সৰুৰে পৰাই মোক নমাজ,কোৰ-আন পঢ়া, ৰোজা ৰখা, চান্দা দিয়া, ছদকা খায়ৰাতৰ অভ্যাস কৰাইছিল। মৰহুমৰ পুত্ৰ পীৰ মহি উদ্দিন চাহাবে কৈছে যে - মই সপোনত দেখিছো যে হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ) আমাৰ ঘৰৰ লাউঞ্জত ওয়াজ নচিহত কৰি আছে আৰু মোক উদ্দেশ্য কৰি কৈছে যে তোমাৰ দেউতা অলি আল্লাহ হয়। আল্লাহ তায়ালা মৰহুমৰ মৰ্যাদা উন্নতী কৰক।

তৃতীয়জন মৰহুমৰ নাম হল মকৰম গোলাম মোস্তাফা চাহাব। এখেত লণ্ডনৰ বাসিন্দা আছিল। ইচ্ছাকৃত ভাৱে দফতৰ প্ৰাইভেট ছেক্ৰেটাৰীৰ কাম কৰিছিল। ২৫ এপ্ৰিল ২০২০ চনত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। ১৯৮৩ চনত এখেতে বয়াত গ্ৰহন কৰি জমাতৰ অন্তৰ্ভুক্ত হৈছিল। এখেতে ওয়াকফে জিন্দেগীৰ দৰেই কাম কৰিছিল। অতি আনুগত্যৰ সৈতে আল্লাহৰ ওচৰত তেওঁ যি ওয়াকফেৰ শপত লৈছিল, সেয়া তেখেতে পুৰ্ণ কৰি গৈছে। ১৯৯৩ চনত হজৰত খলিফাতুল মছিহ ৰাবে তেখেতক পি-এচ অফিচত কাম কৰিবলৈ দিছিল। তেতিয়াৰে পৰাই এখেতে মৃত্যু সময়লৈকে বৰ আনন্দ মনেৰে এই কাম সুচাৰুৰূপে চলাইছিল। মৰহুম মুচি আছিল।

তেখেতৰ পত্নী মেহমুদা মোস্তফা চাহিবায় লিখিছে যে - মই আৰু মোস্তাফা চাহাব প্ৰায় ৩৪ বছৰ কাল একেলগে জীৱন কটাইছো। এই বিগত বছৰবোৰৰ মই সাক্ষী দিব পাৰো যে তেখেতৰ প্ৰতিটো খোজ খোদা তায়ালাৰ নিমিত্তে আগবঢ়াইছিল। তেখেত এজন মুখলিচ পতি, পিতৃ, ভাই, আৰু বন্ধু আছিল। সৌহাদ্যপুৰ্ণ সম্পৰ্ক বজাই ৰাখিছিল। খিলাফত বিশ্বাসী ব্যাক্তি আছিল। ধন-মাল কোৰবাণী কৰিবলৈ বৰ ইচ্ছুক আছিল। মৰহুমৰ জীয়ৰি ছবিয়া মোস্তাফায় কৈছে যে মোৰ দেউতাকৰ জীৱনৰ উদ্দেশ্য আছিল আল্লাহ তায়ালাৰ সত্ত্বা আৰু তাৰ প্ৰতিষ্ঠিত নিজামে খিলাফতৰ সৈতে প্ৰাণভৰি ভালপোৱা ৰক্ষা কৰা। তেখেতে দৰিদ্ৰ লোকক বৰ সহায় কৰিছিল। দেউতাৰ বেমাৰ হোৱাৰ আগত তেখেতে মোক শেষবাৰৰ ভাৱে নচিহত কৰি গৈছে যে জমাতৰ সৈতে মিলি থাকিবা, নমাজ পঢ়িবা, নিয়মিত কোৰ-আন তিলাওয়াত কৰিবা, দেখিবা আল্লাহ সদায় সহায় থাকিব। সদায় এয়া শিক্ষা দিছিল যে চান্দা আদায় দিযাত কেতিয়াও পলম নকৰিবা আৰু নিজেও মাহৰ প্ৰথম দিনাই নিজৰ চান্দা আদায় দি দিছিল আৰু কৈছিল যে - এযা নেভাৰিবা যে জমাতক আমাৰ চান্দা দিয়াৰ প্ৰয়োজন আছে বৰং চান্দা দিলেহে আমি আল্লাহ তায়ালাৰ অনুগ্ৰহ লাভ কৰিব পাৰিম।

ডক্টৰ ইব্ৰাহিম নাছিৰ ভট্টি চাহাবে কৈছে যে কৰণা ভাইৰাচ প্ৰকোপত তেখেতক ছি,পি,এছ,ছি লগাব লগা হৈছিল আৰু ইয়াৰ ফলত তেখেতৰ অৱস্থা জটিল হৈ পৰিছিল। যেতিয়া তেখেতে বেছিকৈ কষ্ট অনুভৱ কৰিবলৈ লৈছিল তেতিয়া তেখেতৰ পৰিয়ালৰ লোকে আহি তেখেতক কৈছিল যে খলিফা ওয়াক্তৰ নিৰ্দেশ হল যে চিকিৎসকৰ নিৰ্দেশ অনুযায়ী আমল কৰিব লাগিব। তেতিয়া হঠাৎতেখেতে নীৰৱ হৈ গৈছিল।

আল্লাহ তায়ালা উক্ত মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। তেওঁলোকে যি আনুগত্য খোদা আৰু তাৰ দ্বীনৰ সৈতে প্ৰদৰ্শন কৰিছে আৰু যেনেকৈ বয়াতৰ শপতবোৰ পালন কৰিছে, আল্লাহ তাতকৈ বেছি মৰম তেওঁলোকক প্ৰদান কৰক। হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে এওঁলোক শ্বহীদৰ অন্তৰ্ভুক্ত। আল্লাহ এওঁলোকৰ সতি সন্তানক নিজৰ নিৰাপত্তাৰ বেষ্টনীত ৰাখক আৰু এওঁলোকৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। এওঁলোকে আল্লাহৰ সৈতে সম্পৰ্ক গঢ়োতা হওঁক। জমাত আৰু খিলাফতৰ সৈতে আনুগত্য আৰু বিশ্বাসৰ অটুট ৰাখঁক। আল্লাহ এওঁলোকক মাক দেউতাকৰ দোৱা কবুল কৰি লওঁক। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 01 MAY . 2020**
**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**